অধ্যায় ৫ ঃ উন্নয়নৰ বাবে টেলিভিছন

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ উন্নয়ন সংযোগৰ এক আহিলা ৰূপে টেলিভিছন
৫.৪ চেটেলাইট নির্দেশনামূলক টেলিভিছন পৰীক্ষণ (Satellite Instructional Television Experiment/SITE)
৫.৫ খেড়া সংযোগ প্রকল্প (KCP)
৫.৬ ঝাবুৰা উন্নয়ন সংযোগ প্রকল্প (JDCP)
৫.৭ গ্রামচেট-গ্রামীন শিক্ষাৰ চেটেলাইট
৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৯ অধিক জানিবলৈ
৫.১০ অগ্রগতিৰ খতিয়ান
৫.১১ আৰ্হি প্রশ্ন

৫.১উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- উন্নয়নমূলক সংযোগৰ এক আহিলা ৰূপে কেনেকৈ টেলিভিছনক ব্যৱহাৰ কৰা হয় সেয়া বুজি পাব
- SITE, KCP আৰু JDCP ৰ বিষয়ে আলোচনা কৰিব পাৰিব
- গাওঁ এলেকাত শিক্ষা প্রসাৰৰ বাবে ‘গ্রামচেট’ক কেনেদৰে ব্যৱহাৰ কৰা হয় বর্ণনা কৰিব পাৰিব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি ভাৰতত টেলিভিছনৰ বিকাশ, ৰঙীন টেলিভিছনৰ আত্মপ্রকাশ, বৈদ্যুতিক প্রচাৰ মাধ্যমৰ স্ব-নিয়ন্ত্রণ ক্ষমতা আৰ ছন্দা সমিতিৰ প্রতিবোদন, ভাৰ্গিছ কার্যগোটৰ প্রতিবেদন আদিৰ দৰে বিভিন্ন বিষয় আলোচনা কৰিছোঁ। এই অধ্যায়টিত উন্নয়ন সংযোগৰ এটা আহিলাৰূপে টেলিভিছন, SITE, প্রকল্প, খেড়া সংযোগ প্রকল্প, ঝাবুৰা উন্নয়ন সংযোগ প্রকল্প আৰু গ্রামীণ শিক্ষা প্রসাৰৰ চেটেলাইট ‘গ্রামচেট’ সম্পর্কে আলোচনা কৰিম।

৫.৩ উন্নয়ন সংযোগৰ এক আহিলাৰূপে টেলিভিছন

সংযোগ বুলিলে টেলিভিছন, ৰেডিঅ', ছপা মাধ্যম, নব্য মাধ্যম আদিৰ দৰে প্ৰচাৰ মাধ্যমৰ বিভিন্ন ৰূপৰ প্ৰয়োগ কৰি স্থাপন কৰা সম্পৰ্কৰ বিষয়ে বুজোৱা হয়। এই মাধ্যমবোৰক বৰ্তমান সময়ত কেৱল ইজনৰ পৰা সিজনলৈ তথ্য প্ৰেৰণ কৰাৰ আহিলা বুলি ধৰা নহয়। এইবোৰক প্ৰায়েই উন্নয়নমূলক কাৰ্যকলাপত গণসমষ্টিৰ অংশগ্ৰহণ সুচল কৰি তোলা একোটা আহিলাৰূপে প্ৰয়োগ কৰা হয়। এনেধৰণৰ সংযোগক উন্নয়ন সংযোগ (Development Communication) বোলা হয়। সংযোগৰ বিভিন্ন মাধ্যমৰ ভিতৰত আমাৰ দেশত উন্নয়নৰ পোষকতা কৰাৰ লক্ষ্যেৰে টেলিভিছন মাধ্যমটো বিকশাই তোলা হৈছে বুলি ধৰা হয়।

১৯৫৯ চনৰ ১৫ ছেপ্টেম্বৰৰ দিনাৰে পৰা ভাৰততে পৰীক্ষামূলকভাবে টেলিভিছন সম্প্ৰচাৰ আৰম্ভ কৰা হৈছিল। স্থাপনত টেলিভিছনৰ গুৰুত্ব কিমান সেই কথা আমি বুজিব পাৰোঁ। ১৯৬১ চনৰ পৰা অল ইণ্ডিয়া ৰেডিঅ' (AIR) ৰ এটা অংশৰূপে গঠিত 'দূৰদৰ্শ'-এ শৈক্ষিক অনুষ্ঠান সম্প্ৰচাৰৰ কাম আৰম্ভ কৰিছিল। প্ৰথম অনুষ্ঠানবোৰ মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰস্তুত কৰা হৈছিল। অনুষ্ঠানবোৰৰ জৰিয়তে বিজ্ঞান, গণিত আৰু অন্য ভাষা বিষয়ক পাঠদান কৰা হৈছিল। স্কুল টেলিভিছন (STV)ৰ সেৱা আৰম্ভ হোৱাৰ লগে লগে শিক্ষক সমাজে এই প্ৰচেষ্টাৰ শলাগ লৈছিল আৰু শিক্ষণ তথা বিষয়বস্তু উপস্থাপনৰ বাবে টেলিভিছনক এক উত্তম আহিলা বুলি স্বীকৃতি দিছিল। ইয়াৰ এবছৰৰ পাচত দেশৰ কৃষকসমাজক উপকৃত কৰাৰ লক্ষ্যেৰে 'কৃষি দৰ্শন' নামৰ অনুষ্ঠানটোৰ সম্প্ৰচাৰ আৰম্ভ কৰা হৈছিল। সামূহিক টেলিভিছন চেটৰ সহায় কৃষকসকলে এই অনুষ্ঠানটো উপভোগ কৰিছিল। প্ৰতি বুধবাৰ আৰু শুক্ৰবাৰে চল্লি মিনিটৰ বাবে সম্প্ৰচাৰিত এই অনুষ্ঠানটোৱে দিল্লী আৰু ইয়াৰ আশে-পাশে থকা ৮০ খন গাঁৱৰ কৃষকক উপকৃত কৰিছিল। ভাৰতীয় পৰমাণু শক্তি বিভাগে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ লগতে অল ইণ্ডিয়া ৰেডিঅ', ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠান আৰু দিল্লী প্ৰশাসনৰ সহযোগত এই বাটকটীয়া প্ৰকল্পটোৰ কাম-কাজ আগবঢ়াই নিছিল।

১৯৭৬ চনত টেলিভিছন সেৱাক অল ইণ্ডিয়া ৰেডিঅ'ৰ পৰা পৃথক কৰা হ'ল। তেতিয়ালৈকে ৰেডিঅ'ই দেশৰ টেলিভিছন সেৱাৰ কাম-কাজবোৰৰ তদাৰক কৰি আছিল। ৰেডিঅ'ৰ পৰা পৃথক কৰাৰ পাচত টেলিভিছন সম্প্ৰচাৰক 'দূৰদৰ্শন' নাম দি এক সুকীয়া স্বতন্ত্ৰ প্ৰতিষ্ঠানৰ ৰূপ দিয়া হ'ল। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ দূৰদৰ্শনে কাম আৰম্ভ কৰিলে। ইয়াৰ পাচত বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC) এ ১৯৮৪ চনৰ পৰা সমগ্ৰ দেশতে সম্প্ৰচাৰিত হোৱাকৈ এঘণ্টীয়া উচ্চশিক্ষাৰ অনুষ্ঠান প্ৰস্তুত কৰিবলৈ ল'ল। দেশৰ সৰু চহৰ আৰু দুৰ্গম এলেকাবোৰত এই অনুষ্ঠানে যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিলে। দেশৰ শৈক্ষিক সম্প্ৰচাৰক এক নতুন মাত্ৰা দিবলৈ মানৱ সম্পদ বিকাশ মন্ত্ৰালয় আৰু ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় ()ৰ যুটীয়া উদ্যোগত ২০০০ চনৰ পৰা দূৰদৰ্শনে 'জ্ঞানদৰ্শন' নামৰ এটা শিক্ষামূলক চেটেলাইট ছেনেলৰ কাম-কাজ আৰম্ভ কৰিলে।

ভাৰতীয় টেলিভিছন সেৱা আৰম্ভ হোৱা ৫৮ বছৰ হৈ গ'ল। আজিৰ টেলিভিছন অনুষ্ঠানবোৰ মানুহৰ মাজত সামাজিক দায়িত্ববোধৰ ধাৰণা প্ৰচাৰ কৰাৰ লক্ষ্যেৰে সম্প্ৰচাৰিত হয়। দৈনিক সম্প্ৰচাৰিত ধাৰাবাহিক নাটক (চ'প অপেৰা) বোৰে সামাজিকভাৱে প্ৰাসংগিক বিষয়বস্তুৰ নাট্যৰূপ প্ৰস্তুত কৰে, বিভিন্ন বিষয়ৰ বিশেষজ্ঞই আন্তঃক্ৰিয়া সম্পন্ন কৰাৰ সুবিধা থকা কথোপকথন (টক শ্ব')ৰ অনুষ্ঠানত ভাগ লয়, গ্ৰামাঞ্চলৰ কৃষকৰ বাবে কৃষি বিষয়ক তথ্য সম্প্ৰচাৰিত হয়, বিভিন্ন ধৰণৰ মুকলি ফ'ৰামত চৰকাৰৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি দৰ্শকৰ প্ৰশ্নৰ উত্তৰ দিয়ে। বৰ্তমান সময়ত এনেধৰণৰ অনুষ্ঠানে জনপ্ৰিয়তা অৰ্জন কৰিছে। ইয়াৰ উপৰি দূৰদশছ্ৰনে পৰিয়াল পৰিকল্পনা, বিভিন্ন ৰোগ প্ৰতিৰোধী চিকিৎসাসেৱা গ্ৰহণ, মাতৃ আৰু শিশুৰ পৰিপুষ্টি, কণ্যা সন্তানৰ প্ৰতি দেখুওৱা বৈষম্যমূলক আচৰণ প্ৰত্যাহাৰ আদিৰ দৰে নানা উপযোগী বাৰ্তা সম্বলিত অনুষ্ঠানো সম্প্ৰচাৰিত কৰে।

চেটেলাইট (কৃত্ৰিম উপগ্ৰহ) সংযোগ প্ৰযুক্তিৰ সহায়ত টেলিভিছনে ফলপ্ৰসূ উন্নয়নমূলক পৰিৱৰ্তনৰ পথ প্ৰশস্ত কৰিব পাৰে। চেটেলাইট সংযোগ প্ৰযুক্তিৰ অনন সামৰ্থই টেলিভিছনক আগতকৈ অধিক সংখ্যক দৰ্শক আৰু অধিক অঞ্চলৰ কাষ চপাই নিছে। আজি দেশৰ অতন্ত দুৰ্গম এলেকাৰ বাসিন্দায়ো টেলিভিছনৰ অনুষ্ঠান উপভোগ কৰি আছে। দীৰ্ঘদিন ধৰি ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান (ISRO) ই মহাকাশ প্ৰযুক্তিক শিক্ষা আৰু উন্নয়নৰ কামত ব্যৱহাৰ কৰিব পৰা সুবিধাৰ অন্বেষণ কৰি আহিছে। প্ৰতিষ্ঠানটোৱে বিভিন্ন শৈক্ষিক প্ৰকল্পৰ অধীনত নানা কাৰ্যসূচী প্ৰস্তুত কৰিছে। এনে দুটামান প্ৰকল্প হ'ল- এডুকেশ্যন টি ভি (ETV), চেটেলাইট ইন্ষ্ট্ৰাক্শ্যনেল টেলিভিছন এক্সপেৰিমেণ্ট (SITE), খেড়া কমিউনিকেশ্যন প্ৰ'জেক্ট (KCP) আৰু কাউণ্ট্ৰি ৱাইড ক্লাছৰুম প্ৰ'জেক্ট (CWC)। বিগত ৩০ বছৰ ধৰি এই প্ৰকল্প বোৰৰ অধীনত প্ৰস্তুত কৰা অনুষ্ঠানবোৰে দেশৰ গাওঁ অঞ্চলৰ বাসিন্দাসকলৰ শৈক্ষিক, প্ৰশিক্ষণমূলক আৰু সাধাৰণ সজাগত উদ্ৰেকৰ প্ৰয়োজনীয়তা পূৰণ কৰি আহিছে।

ব্যক্তিগত চেটেলাইট ছেনেলবোৰে ভূমুকি মৰাৰ লগে লগে ভাৰতীয় টেলিভিছন সম্প্ৰচাৰ ক্ষেত্ৰখনলৈও আমূল পৰিৱৰ্তন আহিল। আমেৰিকান ব্যক্তিগত সংবাদছেনেল চি এন এন (CNN) এ প্ৰায়বোৰ পশ্চিমীয়া আৰু এচিয়ান দেশৰ ৰাষ্ট্ৰীয় টেলিভিছন ছেনেলক উপসাগৰীয় যুদ্ধ (Gulf War) ৰ সংবাদ চেটেলাইটৰ সহায়ত যোগান ধৰিছিল। ইয়াৰ লগে লগে ভাৰতৰ দৰে বহুতো উন্নয়নশীল দেশত চেটেলাইটৰ মাধ্যমেৰে বিদেশী সেৱা সম্প্ৰচাৰৰ পৰম্পৰা আৰম্ভ হৈছিল। প্ৰথম অৱস্থাত ভাৰতে পশ্চিমীয়া দেশবোৰৰ পৰা বিভিন্ন টেলিভিছন অনুষ্ঠান আমদানি কৰি সেয়া হিন্দী নাইবা অন্য ভাৰতীয় ভাষাত 'ডাব' কৰিছিল। নতুন টেলিভিছন নীতিৰ অধীনত ভাৰত চৰকাৰে ব্যক্তিগত আৰু বিদেশী সম্প্ৰচাৰকসকলক দেশত ব্যক্তিগত ছেনেলবোৰে আৰম্ভ কৰা অনুষ্ঠান সম্প্ৰচাৰত সীমিতভাৱে জড়িত হোৱাৰ অনুমতি দিছিল। কিন্তু লাহে লাহে ভাৰতত প্ৰস্তুত কৰা ব্যক্তিগত ছেনেলৰ অনুষ্ঠানবোৰে উপভোক্তাবাদী আৰু বৈষয়িক প্ৰমূল্য বিয়পোৱা আৰম্ভ কৰিলে। ব্যক্তিগত ছেনেলবোৰে 'উপভোক্তা'ৰ পছন্দৰ তালিকাখন সম্প্ৰসাৰিত কৰিলে। এই সম্প্ৰসাৰণত ইন্ধন যোগানে টেলিভিছন ৰেটিং পইণ্ট (TRP) ৰ প্ৰচলন, বৃদ্ধিত বিজ্ঞাপন

ৰাজহ আৰু নগৰীয়া সংস্কৃতিৰ চাহিদাবোৰৰ প্ৰতি দৰ্শকৰ বৰ্দ্ধিত সঁহাৰি আদি কাৰকে।

৫.৪ ভাৰত আৰু অসমত লোকমাধ্যমৰ ভৱিষ্যত-প্ৰস্তাবিত প্ৰতিকাৰসমূহ

১৯৬৭ চনত ইউনেস্ক' বিশেষজ্ঞ অভিযানে ভাৰত চৰকাৰৰ সৈতে মিলি ভাৰতৰ ৰাষ্ট্ৰীয় উন্নয়নৰ কামত চেটেলাইট সেৱা ব্যৱহাৰ কৰিব পৰা যায় নেকি সেই সম্পৰ্কে এটা অধ্যয়ন চলাইছিল। এই অধ্যয়নৰ পৰা পোৱা অনুকূল পৰামৰ্শবোৰৰ ভিত্তিত ১৯৭৫ চনত এটা পৰীক্ষামূলক চেটেলাইট সংযোগ প্ৰকল্পৰূপে SITE ৰ কাম আৰম্ভ কৰা হৈছিল। NASA আৰু ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান (ISRO) ই যুটীয়াভাৱে এই প্ৰকল্পটোৰ আৰ্হি তৈয়াৰ কৰিছিল। প্ৰকল্পটোলৈ (UNDP, UNESCO, UNICEF) আৰু ITU ৰ দৰে বহুতো আন্তৰ্জাতিক অভিকৰণে সমৰ্থন আগবঢ়াইছিল। চেটেলাইট সংযোগ ব্যৱস্থাৰ সূচনা কৰাৰ মূলতে আছিল ভাৰতীয় নাগৰিকৰ বিভিন্ন সমস্যা সম্পৰ্কীয় লাগতীয়াল তথ্যৰ যোগান ধৰা আৰু চেটেলাইট সংযোগৰ কাৰিকৰী অভিজ্ঞতাৰ সৈতে মানুহক পৰিচয় কৰা দিয়া। ১৯৭৫ চনৰ ১ আগষ্টৰ পৰা ১৯৭৬ চনৰ ৩১ জুলাইলৈ এই প্ৰকল্পটোৰ অধীনত প্ৰস্তুত আৰু সম্প্ৰচাৰিত কৰা অনুষ্ঠানবোৰ ভাৰতত ছখন ৰাজ্য তথা কেন্দ্ৰীয় শাসিত প্ৰদেশৰ ২০ খন জিলাৰ ২৪০০ খন গাঁৱৰ বাসিন্দাই দেখা পাইছিল। অনুষ্ঠানবোৰ ভাৰতীয় আকাশৰ ওপৰত স্থাপন কৰা NASA ৰ ATS-6 নামৰ চেটেলাইটটোৰ সহায়ত সম্প্ৰচাৰিত কৰা হৈছিল। তেতিয়ালৈকে অল ইণ্ডিয়া ৰেডিঅ'ৰ এটা অংশ হৈ থকা দূৰদৰ্শনে এই অনুষ্ঠানবোৰ প্ৰযোজনা কৰিছিল। অনুষ্ঠানবোৰ ৰাতিপুৱা আৰু গধূলি দুবাৰকৈ সম্প্ৰচাৰ কৰা হৈছিল। ৰাতিপুৱাৰ এঘণ্টা ত্ৰিশ মিনিটৰ অনুষ্ঠানবোৰ বিদ্যালয় পৰ্যায়ৰ ল'ৰা-ছোৱালীৰ বাবে সম্প্ৰচাৰ কৰা হৈছিল। সন্ধিয়াৰ দুঘণ্টা ত্ৰিশ মিনিটৰ অনুষ্ঠানবোৰ গাঁৱলীয়া দৰ্শকৰ বাবে প্ৰস্তুত কৰা সাধাৰণ বিষয়ৰ অনুষ্ঠান আছিল। সন্ধিয়াৰ অনুষ্ঠানবোৰৰ কিছুমান হিন্দী ভাষাত সম্প্ৰচাৰিত হৈছিল আৰু এইবোৰ স্থানীয়ভাৱে দিল্লীত প্ৰস্তুত কৰা হৈছিল।

পৰীক্ষাটোৱে বহুতো অভিযন্তা, কাৰিকৰী বিভাগৰ লোক আৰু যন্ত্ৰ মেৰামতি কৰোঁতাক জ্ঞান আহৰণ তথা দক্ষতা বিকাশৰ সুযোগ দিছিল। অনুষ্ঠান জ্ঞান আহৰণ তথা দক্ষতা বিকাশৰ সুযোগ দিছিল। অনুষ্ঠান প্ৰস্তুতকৰ্তা, সম্প্ৰচাৰক আৰু টেলিসম্প্ৰচাৰক সকলেও মাধ্যমটোৱে আগবঢ়োৱা সুযোগৰ দ্বাৰা উপকৃত হৈছিল। একে ধৰণৰ পৰীক্ষা নিৰীক্ষা বিশ্বৰ বিভিন্ন দেশত চলাই চোৱা হৈছিল। এই পৰীক্ষাবোৰত দ্বাৰা জনসাধাৰণৰ মাজত শিক্ষা আৰু তথ্য সম্প্ৰসাৰত চেটেলাইট TV ৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে বুজোৱাৰ চেষ্টা কৰা হৈছিল। প্ৰকল্পটোৰ প্ৰধান উদ্দেশ্যবোৰ তলত উল্লেখ কৰ হ'ল-

১। উন্নয়ন আৰু চেটেলাইট ভিত্তিক নিৰ্দেশনামূলক টেলিভিছন প্ৰণালী এটাৰ পৰীক্ষা তথা ব্যৱস্থাপনাবিষয়ক অভিজ্ঞতা আহৰণ কৰা, বিশেষকৈ গাওঁ অঞ্চলত এই টেলিভিছন প্ৰণালীৰ প্ৰভাৱ আৰু সফলতা পৰীক্ষা কৰা আৰু গ্ৰামাঞ্চলৰ বাবে সৰ্বাধিক সুফলদায়ক ব্যৱস্থা পৰিমাপবোৰ নিৰ্ধাৰণ কৰা;

২। উন্নয়নশীল দেশবোৰত ফলপ্রসূ গমসংযোগৰ দ্রুত বিকাশ ঘটোৱাত চেটেলাইট প্রযুক্তিৰ সম্ভাব্য মূল্য প্রদর্শন কৰা;

৩। গাওঁবাসীৰ বাবে ব্যৱহাৰিক নীতি-নির্দেশনা সম্প্রচাৰিত কৰাত চেটেলাইট সম্প্রচাৰ টেলিভিছনৰ সম্ভাব্য মান প্রদর্শন কৰা; আৰু

৪। জৰুলী পৰিচালনা বিষয়ক, অর্থনৈতিক, প্রযুক্তিগত তথা সামাজিক প্রয়োগেৰে সৈতে ভাৰতৰ ৰাষ্ট্রীয় বিকাশক উদ্দীপিত কৰা।

এই পৰীক্ষণটোৱে ভাৰতত গৱেষণা আৰু উন্নয়নৰ ভেটি তথা সামর্থ দৃঢ় কৰাত সহায় কৰিছিল। দর্শকে সমাজ-সাংস্কৃতিক বিষয়ক লৈ প্রস্তুত কৰা অনুষ্ঠানিবোৰতকৈ নির্দেশনামূলক অনুষ্ঠানবোৰ অধিক পচন্দ কৰিছিল। তথ্য অৱগত কৰোৱা অনুষ্ঠান, সজাগত সৃষ্টিকাৰী অনুষ্ঠান আৰু জ্ঞানৱর্দ্ধক অনুষ্ঠানবোৰ অধিক জনপ্রিয় আছিল। সেয়েহে, স্বাস্থ্য আৰু ব্যক্তিগত পৰিচ্ছন্নতা, ৰাজনৈতিক সচেতনতা, সামগ্রিক আধুনিকতা আৰু পৰিয়াল পৰিকল্পনামূলক অনুষ্ঠানবোৰৰ দর্শকৰ সংখ্যা অধিক আছিল। কৃষিভিত্তিক অনুষ্ঠানবোৰত বিভিন্ন ধৰণৰ উদ্ভাৱনৰ বিষয়ে দেখুওৱা হৈছিল। কৃষক সমাজে অতিৰিক্ত ব্যয়ৰ প্রয়োজন নথকা নতুন কৃষি পদ্ধতিবোৰ গ্রহণ কৰিছিল। এটা সমীক্ষাৰ পৰা গম পোৱা গৈছিল যে টেলিভিছনত সম্প্রচাৰিত অনুষ্ঠানবোৰৰ পৰা ল'ৰা-ছোৱালীৰ ভাষাৰ ওপৰত দশল বাঢ়িছিল, জ্ঞান বৃদ্ধি পাইছিল আৰু পৰম্পৰাগত শ্রেণীকোঠাত শিকাতকৈ টেলিবিছনত সম্প্রচাৰিত উৎসবোৰৰ পৰা অধিক তথ্য লাভ কৰিছিল। টেলিভিছন চোৱাৰ ফলত মানুহৰ জীৱন ধাৰণৰ মান উন্নত হৈছিল আৰু ই সমাজখনক আধুনিক কৰি তুলিছিল।

সামৰণিৰ ইয়াকে ক'ব পাৰি যে এই পৰীক্ষণৰ প্রধান উদ্দেশ্য আছিল সাধাৰণ লোকক পৰিয়াল পৰিকল্পনা, কৃষি অনুশীলন আৰু ৰাষ্ট্রীয় সংহতিৰ সৈতে জড়িত বিষয়বোৰত শিক্ষিত কৰি তোলা। ইয়াৰ উপৰি সম্প্রচাৰিত অনুষ্ঠানবোৰত জৰিয়তে বিষয়বোৰত শিক্ষিত কৰি তোলা। ইয়াৰ উপৰি সম্প্রচাৰিত অনুষ্ঠানবোৰত জৰিয়তে সাধাৰণ বিদ্যালয়, প্রাপ্তবয়স্ক শিক্ষা আৰু শিক্ষক প্রশিক্ষণৰ বাবে প্রয়োজনীয় উন্নততৰ দক্ষতা তথা জ্ঞানৰ বিকাশত গুৰুত্ব দিয়া হৈছিল। মানুহৰ সাধাৰণ স্বাস্থ্য আৰু ব্যক্তিগত পৰিচ্ছন্নতাৰ দৰে বিষয়েও ইয়াত গুৰুত্ব পাইছিল। লগতে, টেলিভিছন অনুষ্ঠান সমলবোৰ ফলপ্রসূভাৱে সম্প্রচাৰিত আৰু গ্রহণ কৰিব পৰা কাৰিকৰী ব্যৱস্থাবোৰৰ বিকাশতো গুৰুত্ব প্রদান কৰা হৈছিল।

৫.৫ খেড়া সংযোগ প্রকল্প (KCP)

খেড় সংযোগ প্রকল্প নাইবা চমুকৈ KCP হ'ল ভাৰতীয় টেলিভিচন ইতিহাসৰ আন এক গুৰুত্বপূর্ণ অধ্যায়। গুজৰাটৰ খেড়া জিলাৰ বাসিন্দসকলৰ সামগ্রিক উন্নয়নৰ এক ক্ষেত্রভিত্তিক গৱেষণাগাৰ হিচাপে এই প্রকল্পটোৰ কাম আৰম্ভ কৰা হৈছিল। জিলাখনত ১০০ খনতকৈও অধিক গাঁও আছে। এই গাওঁবোৰৰ বাসিন্দাসকলৰ সবলীকৰণৰ উদ্দেশ্যেৰে ১৯৭৫ চনত KCP ৰ কাম আৰম্ভ কৰা হৈছিল। নির্দেশনামূলক অনুষ্ঠান সম্প্রচাৰ কৰা এই প্রকল্পটো মহাকাশ প্রয়োগ কেন্দ্র

(SAC) আৰু উন্নয়ন তথা শিক্ষা আয়োগ গোটৰ তদাৰকত চলোৱা হৈছিল। স্থানীয় দৰ্শকসকলক অংশগ্ৰহণৰ সুযোগ দি প্ৰকল্পটোৰ অনুষ্ঠানবোৰ প্ৰযোজনা তথা পৰিচালনা কৰা হৈছিল।

'শ্বেত বিপ্লৱ'ৰ এক অংশ ৰূপে খেড়া জিলাখন ভাৰতৰ এক গুৰুত্বপূৰ্ণ দুগ্ধ উৎপাদনকাৰী কেন্দ্ৰত পৰিণত হৈছিল। জিলাখনৰ গাওঁবাসীক সবল কৰি তোলাৰ উদ্দেশ্যেৰে- KCP ত দুগ্ধদাম, স্বাস্থ্য সেৱা, স্থানীয় বেংক, নিয়োগ বিনিময় কেন্দ্ৰ, সমবায় আৰু কৃষি বিষয়ক বহুতো সম্প্ৰসাৰণ অভিকৰণে সহযোগিতা আগবঢ়াইছিল। প্ৰকল্পটো চৰকাৰ সমৰ্থিত হোৱাৰ বাবে ইয়াক চলাই নিবৰ বাবে আন কোনো ব্যৱসায়িক স্বাৰ্থজড়িত পক্ষৰ সহায়ৰ সমৰ্থন হোৱা নাছিল। প্ৰকল্পটোৰ প্ৰধান তদাৰককাৰী অভিকৰণটো আছিল SAC। সেয়েহে ই ৰাজ্য চৰকাৰৰ পূৰ্ণ সমৰ্থন আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজনৈতিক স্ব- নিয়ন্ত্ৰণৰ অধিকাৰ লাভ কৰিছিল।

খেড়া সংযোগ ব্যৱস্থাত এটা নিম্ন ক্ষমতাসম্পন্ন ট্ৰান্সমিটাৰ ব্যৱহাৰ কৰা হৈছিল। ট্ৰান্সমিটাৰটো আহমেদাবাদৰ পৰা প্ৰায় ৫০ কি.মি. দক্ষিণৰ পিছ গাঁৱত বহুওৱা হৈছিল। প্ৰথম অৱস্থাত প্ৰকল্পটোত প্ৰায় ৩৫ কি.মি. পৰ্যন্ত সম্প্ৰচাৰ ক্ষেত্ৰ এখনক সামৰি লোৱা হৈছিল। এই পৰিধিৰ ভিতৰত খেড় জিলাৰ অধিকাংশ গাওঁ অন্তৰ্ভুক্ত আছিল। প্ৰকল্পটোৰ অধীনত সম্প্ৰচাৰিত অনুষ্ঠানবোৰ স্থানীয় আৰু ৰাষ্ট্ৰীয় টেলিভিছন অনুষ্ঠান আছিল। প্ৰথম অৱস্থাত ৰাজ্য চৰকাৰ আৰু স্থানীয় সমবায় সংস্থাবোৰে যোগান ধৰা পুঁজিৰে জিলাখনৰ ৪০০ খন গাঁৱক ৬৫০ টা সামূহিক টেলিভিছন চেট প্ৰদান কৰা হৈছিল। বিদ্যালয়, সমবায় সমাজৰ কাৰ্যালয় অথবা পঞ্চায়ত গৃহ আদিৰ দৰে ৰাজহুৱা স্থানত এই টেলিভিছন চেটবোৰ ৰখা হৈছিল আৰু সন্ধিয়া গাঁৱৰ ৰাইজে গোট খাই সম্প্ৰচাৰিত অনুষ্ঠানবোৰ উপভোগ কৰিছিল।

এই প্ৰকল্পৰ অধীনত প্ৰস্তুত কৰাঅনুষ্ঠানবোৰৰ কিছুমান বিশেষত্ব আছিল। এই বিশেষত্ববোৰে ভাৰতীয় টেলিভিছন অনুষ্ঠানৰ বিষয়বস্তুৰ সংজ্ঞা প্ৰকৃতাৰ্থত দাঙি ধৰিব পাৰিছিল। প্ৰকল্পটোৰ জৰিয়তে আন এটা সম্পৰীক্ষাও চলোৱা হৈছিল। ইয়াৰ জৰিয়তে ভাৰতীয় দৰ্শকক শিক্ষা প্ৰদানৰ উদ্দেশ্যে টেলিভিছন ব্যৱহাৰ কৰিব পৰা যায়। নেকি তাৰ উমান লোৱা হৈছিল। টেলিভিছনে কেৱল গ্ৰাম্য উন্নয়নৰে পোষকতা কৰা নাছিল। ই সমাজৰ সৈতে জড়িত বিভিন্ন সমস্য আৰু বিষয়ৰ সংবাদ তথা তথ্য প্ৰচাৰ কৰি সামাজিক পৰিৱৰ্তনৰ ক্ষেত্ৰত নিজ ভূমিকা পালন কৰিছিল। অভিনেতা অথবা লেখকৰূপে স্থানীয় গাওঁবাসীয়ে এনে বহুতো অনুষ্ঠানৰ অংশীদাৰ হৈছিল। তেওঁলোক জাতিগত বৈষম্য, শিক্ষা, স্বাস্থ্য, যৌতুক, নিচাসক্তি, নিৰ্বাচন, খাদ্য আদিৰ সৈতে জড়িত বিভিন্ন সমস্যাক লৈ নিৰ্মিত টেলিভিছন শৃংখলাবোৰৰ অংশ হৈ পৰিছিল। পৰিয়াল পৰিকল্পনা, লিংগভিত্তিক সমতা আৰু গাঁৱৰ অনাময় ব্যৱস্থা আদিৰ দৰে বিষয়বোৰ বিভিন্ন ধাৰাবাহিক, লোকনাট, পুতলা নাচ আদিৰ দৰে অনুষ্ঠানৰ নিয়মীয়া বিষয়বস্তু হৈ পৰিছিল। এই প্ৰকল্পৰ জৰিয়তে জনপ্ৰিয়তা অৰ্জন কৰা দুখন শিক্ষা-মনোৰঞ্জনমূলক ধাৰাবাহিক আছিল ছাট্টৈৰ মোটা (জ্ঞানী বয়োজ্যেষ্ঠ) আৰু নাৰী তু নাৰায়নী (নাৰী,তুমি সবলা)। প্ৰথমখন ধাৰাবাহিকৰ বিষয়বস্তু আছিল যৌতুক আৰু বিধৱা বিবাহ। দ্বিতীয় ধাৰাবাহিকখনে দৰ্শকৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে প্ৰশংসা অৰ্জন কৰিছিল। ইয়াৰ উপৰি সেই সময়ৰ আন কেইখনমান সফল ধাৰাবাহিক আছিল দাদী মা নি হাতোঁ (জ্ঞানী আইতাৰ কথা, হুন নি মাৰা এঁ (মই আৰু মোৰ

পতি) আৰু জাগি নি জচ তো (মই যেতিয়া সাৰ পাই দেখিলোঁ)।

১৯৮৪ চনত খেড় সংযোগ প্রকল্পই ইউনেস্ক'ৰ পৰা সন্মানী গ্রাম্য সংযোগ ফলপ্রসূতা বঁটা লাভ কৰিছিল। ভাৰতীয় টেলিভিছন সম্প্রচাৰৰ বিকেন্দ্রীকৰণত এই প্রকল্পটোৱে এক উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। কিন্তু ভাৰত চৰকাৰে দেশৰ অন্য অংশত ইয়াৰ দৰে সামূহিক টেলিভিছন সেৱাৰ আৰ্হি স্থাপন নকৰিলে। আহমেদাবাদত উচ্চ ক্ষমতাসম্পন্ন ট্রান্সমিটাৰ বহুওৱাৰ পাচত চৰকাৰে খেড়াৰ ট্রান্সমিটাৰ যন্ত্রটো চেন্নাইলৈ স্থানান্তৰ কৰা হ'ব আৰু তাৰ চহৰীয়া বাসিন্দাৰ বাবে দ্বিতীয়টো মনোৰঞ্জনমূলক ছেনেল আৰম্ভ কৰা হ'ব বুলি ঘোষণা কৰিছিল। ইয়াৰ কাৰণ আছিল মহানগৰত প্রকল্পৰ কাম আৰম্ভ কৰি বিজ্ঞাপন আয়ৰ মাত্রা বৃদ্ধি কৰা। গাওঁ অঞ্চলত সামূহিক সংযোগ প্রকল্প স্থাপনৰ নামত চৰকাৰ নিজৰ ধন খৰছ কৰিবলৈ আগ্রহী নাছিল। খেড়া সংযোগ প্রকল্পই ১৯৯০ চনলৈ এলেকাটোত নিজৰ সেৱা আগবঢ়াইছিল।

৫.৬ ঝাবুৱা উন্নয়ন সংযোগ প্রকল্প (JDCP)

ভাৰতত সফলতাৰে কার্যৰূপায়িত হোৱা আন এটা সংযোগ প্রকল্পৰ নাম হ'ল ঝাবুৱা উন্নয়ন সংযোগ প্রকল্প (Jhabua Development Communications Project/JDCP)। দেশৰ গাওঁ অঞ্চলৰ নিৰক্ষৰ লোকসকলৰ প্রয়োজন পূৰাব পৰাকৈ এই প্রকল্পতো চেটেলাইট সংযোগ পদ্ধতি ব্যৱহাৰ কৰা হৈছিল। এই পদ্ধতিৰ সহায়ত উন্নয়নমূলক কাম-কাজত সহায় হোৱাকৈ সংযোগ প্রক্রিয়াটোক সমর্থন কৰিব পৰা ধৰণৰ অনুষ্ঠান সম্প্রচাৰিত কৰা হৈছিল। ১৯৯০ ৰ দশকৰ মাজভাগত আহমেদাবাদত মহাকাশ প্রয়োগ কেন্দ্র (Space Application Centre / SAC) ৰ উন্নয়ন তথা শৈক্ষিক সংযোগ গোট (DECU)ৰ দ্বাৰা এই প্রকল্পটো আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হৈছিল। মধ্যপ্রদেশৰ জনজাতি অধ্যুষিত এলেকা ঝাবুৱাত প্রকল্প কেন্দ্রটো স্থাপন কৰা হৈছিল। এলেকাটোত সাক্ষৰতাৰ হাৰ আছিল মাত্র ১৫% । ইয়াৰ উপৰি ঝবুৱাত নৱজাতকৰ মৃত্যুহাৰঅতি উচ্চ আৰু যাতায়ত তথা অন্য সংযোগ ব্যৱস্থাবোৰ অতি সীমিত আছিল। সহজ অর্থত এলেকাটো আছিল দৰিদ্র পীড়িত। কিন্তু অঞ্চলটো প্রাকৃতিক সম্পদত অতি চহকী আছিল. ঝাবুৱাৰ বাসিন্দাসকলৰ উপার্জনৰ প্রধান উৎস আছিল কৃষি। এই প্রকল্পটো আৰম্ভ কৰাৰ প্রধান উদ্দেশ্য আছিল ভাৰতৰ দূর্গম অঞ্চলবোৰত উন্নয়ন তথা শিক্ষা প্রসাৰত সমর্থন আগবঢ়াব পৰা আন্তঃক্রিয়াশীল চেটেলাইভিত্তিক সম্প্রচাৰ নেটৰ'র্ক এটা গঢ়ি তুলিব পৰা যায় নেকি সেয়াপৰীক্ষা কৰি চোৱা। DECU ৰ আহমেদাবাদ ষ্টুডিঅ'ৰ পৰা অনুষ্ঠানবোৰ চেটেলাইট সেৱাৰ জৰিয়তে 'আপলিংক' কৰা হৈছিল। অনুষ্ঠানবোৰ গ্রহণ কৰিব পৰাকৈ ঝাবুৱাৰ বিভিন্ন স্থানত চেটেলাইট ডিস্ক, ভিচিআৰ, টেলিভিছন চেট আদিৰ দৰে আন বিভিন্ন ধৰণৰ ১৫০ টা মান প্রত্যক্ষ সংকেত গ্রহণকাৰী ব্যৱস্থা স্থাপন কৰা হৈছিল। প্রতি সন্ধিয়া দুঘণ্টাৰ বাবে এই প্রকল্পৰ অধীনত টেলিভিছন অনুষ্ঠান সম্প্রচাৰ কৰা হৈছিল। প্রকল্পটো সুচাৰুৰূপে আগবঢ়াই নিবলৈ ঝাবুৱা জিলাৰ প্রতিটো উন্নয়ন খণ্ড মুখ্য কার্যালয়ত প্রায় ১২ টা 'টক বেক টার্মিনেল' (দর্শকৰ সঁহাৰি গ্রহণ কেন্দ্র) বিতৰণ

কৰা হৈছিল। এই ব্যৱস্থাৰ সহায়ত গাঁৱৰ দৰ্শকে প্ৰশ্নসুধিব আৰু বিভিন্ন বিষয় মতামত আগবঢ়াব পাৰিছিল। সম্প্ৰচাৰিত অনুষ্ঠানবোৰ কেৱল শিক্ষামূলকেই নাছিল। প্ৰকল্পটোৰ অধীনত বিভিন্ন মনোৰঞ্জন প্ৰদানকাৰী অনুষ্ঠানো প্ৰস্তুত কৰা হৈছিল। ৱাটাৰশ্বেড ব্যৱস্থাপনা, স্বাস্থ্য, শিক্ষা কৃষি, প্ৰাকৃতিক বনানীকৰণ আৰু গাওঁ প্ৰশাসন বিষয়ক অনুষ্ঠানবোৰত স্থানীয় লোকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। আবেলি সম্প্ৰচাৰ কৰা অনুষ্ঠানবোৰ প্ৰশিক্ষণমূলক আছিল। শিক্ষক, আংগনৱাড়ি কৰ্মী, হেণ্ড পাম্প মেকানিক আৰু স্থানীয় পঞ্চায়ত সদস্য আদিৰ দৰে গাওঁ পৰ্যায়ত বিভিন্ন ক্ষেত্ৰত সক্ৰিয় হৈ থকা বিভিন্ন লোকে 'টক বেক টাৰ্মিনেল' বোৰৰ জৰিয়তে এনে প্ৰশিক্ষণমূলক অনুষ্ঠান পৰিৱেশন কৰিছিল। (JDCP) লৈ সঁহাৰি (feed back) আৰু সঁহাৰিৰ প্ৰত্যুত্তৰ (feed forward) ৰূপত প্ৰচাৰ মাধ্যম প্ৰযোজক আৰু গ্ৰাহক (দৰ্শক)ৰ মাজত অবিৰতভাৱে তথ্যৰ সৰবৰাহ ঘটিছিল। ১৯৮৮ চনত প্ৰকল্পটোৰ মূল্যায়ন কৰা হৈছিল। মূল্যায়নত গম পোৱা গৈছিল যে প্ৰকল্পটোৱে ঝাবুৱা জিলাৰ বাসিন্দাক বিভিন্ন কাম-কাজ হাতে-কামে শিকোৱাৰ উপৰি বিভিন্ন সামাজিক বিষয় সমস্যাৰ জ্ঞান দিবলৈও সক্ষম হৈছিল। ই অঞ্চলটোৰ ৰাইজৰ জীৱন যাপনৰ মান আৰু পৰিৱেশ উন্নত কৰাতো সহায় আগবঢ়াইছিল।



অগ্ৰগতি নিৰীক্ষণ

১। উন্নয়ন সংযোগত টেলিভিছনে কেনে ধৰণৰ ভূমিকা পালন কৰে?

.....

.....

.....

২। SITE,SAC আৰু ISRO ৰ সম্পূৰ্ণ ৰূপবোৰ কি?

.....

.....

.....

৩। খেড়া সংযোগ প্ৰকল্পৰ অনুষ্ঠান সম্প্ৰচাৰ ব্যৱস্থাটো কেনেধৰণৰ আছিল ব্যাখ্যা কৰক।

.....

.....

.....

৪। ঝাবুৱা উন্নয়ন সংযোগ প্ৰকল্পৰ অধীনত প্ৰস্তুত কৰা অনুষ্ঠানবোৰৰ বিষয়বস্তু কি আছিল?

.....

.....

.....



চিন্তা-চর্চা কৰক

১। আপুনি বাস কৰা অঞ্চলটোৰ আধাৰত (চহৰ/ গাওঁ) এটা উন্নয়নমূলক টেলিভিছন অনুষ্ঠান প্ৰস্তুত কৰক। অনুষ্ঠানটোৰ বিষয়বস্তুত শৈক্ষিক তথা মনোৰঞ্জনমূলক দুয়োটা দিশ সন্নিৱিষ্ট কৰাৰ প্ৰতি মনোযোগ দিব।

৫.৭ গ্ৰামচেট-গ্ৰামীন শিক্ষাৰ চেটেলাইট

গ্ৰামচেট (GRAMSAT) আছিল ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান (Indian Space Research Organization/ISRO) ৰ দ্বাৰা নিৰ্মিত এক কৃত্ৰিম উপগ্ৰহ (Satellite) ভিত্তিক প্ৰয়োগ ব্যৱস্থা। দেশৰ সামগ্ৰিক উন্নয়ন সম্ভৱপৰ কৰি তোলাৰ বাবে গাওঁ অঞ্চলবোৰৰ পৰা নিৰক্ষৰতাৰ সমস্যাটো আঁতৰোৱাৰ উদ্দেশ্যেৰে এই ব্যৱস্থাটো বিকশাই তোলা হৈছিল। ইয়াক দেশৰ সমাজ অনুকূল প্ৰয়োজনীয়তাবোৰ পূৰাব পৰাকৈ প্ৰচাৰ মাধ্যমবোৰ পুনৰ ব্যৱহাৰ কৰাৰ এক উদ্ভাৱনীমূলক কাৰ্যসূচী বুলি অভিহিত কৰা হৈছিল। চল্লুল্লুল্লচনৰ চ্ছ্ৰ মে'ত তদানীন্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপায়ীয়ে ওড়িশাত এই কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ কৰিছিল। প্ৰকল্পটোৰ জৰিয়তে দৰ্শকক সজাগ কৰি তুলিব খোজা দুটামান গুৰুত্বপূৰ্ণ বিষয় আছিল- প্ৰশাসনৰ বিভিন্ন দিশৰ স্বচ্ছতা, ভাৰসাযোগ্যতা, সঁহাৰিসূচক মনোভাৱ, দূৰ্নীতিৰ মাত্ৰা হ্ৰাস, প্ৰশিক্ষণমূলক অনুষ্ঠান সম্প্ৰচাৰ, দক্ষতাৰ বিকাশ, নাগৰিকৰ অংশগ্ৰহণৰ মাত্ৰা বৃদ্ধি, বিভিন্ন প্ৰকল্পৰ পৰিকল্পনা আৰু নিৰীক্ষণ, দুৰ্যোগৰ আগলিবতৰা আদি। ইয়াৰ উপৰি প্ৰকল্পটোৰ জৰিয়তে ৰাজ্যৰ ৰাজধানী, জিলা আৰু উন্নয়ন খণ্ডবোৰৰ মাজত পোনপটীয়া চেটেলাইট সংযোগ স্থাপনৰ সুবিধা আগবঢ়োৱা হৈছিল। ওড়িশাৰ উপৰি অন্ধ্ৰ প্ৰদেশ, গুজৰাট, কৰ্ণাটক, মধ্যপ্ৰদেশ, গোৱা, হিমাচল প্ৰদেশ আৰু ৰাজস্থানত আৰম্ভ কৰা 'গ্ৰামচেট' সেৱাই ভাৰতৰ গ্ৰামাঞ্চলৰ সংযোগ ব্যৱস্থালৈ বৈপ্লৱিক পৰিৱৰ্তন কঢ়িয়াই আনিছিল। আন্দামান আৰু নিকোবাৰত 'গ্ৰামচেট' নেটৱ'ৰ্কৰ জৰিয়তে বিভিন্ন বৃত্তিমুখী প্ৰশিক্ষণ, ভিডিঅ' কনফাৰেন্সিং সুবিধা আৰু বিভিন্ন পলিটেকনিক কেন্দ্ৰত কম্পিউটাৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছিল। 'গ্ৰামচেট'ৰ সম্প্ৰচাৰ সংগী আছিল ডি ডি কে নেশ্যনেল, ওটিভি আৰু ইটিভি ছেনেল এই ছেনেলকেইটাই প্ৰস্তুত কৰা বিভিন্ন অনুষ্ঠান সপ্তাহৰ আটাইকেইটা দিনতেই ওড়িশাৰ ৩০ খন জিলা, ৩১৪ টা উন্নয়ন খণ্ড, কালাহান্দি- বোলাংগিৰ -কোৰাপুট জিলাৰ ১১৭৯ খন গাওঁ পঞ্চাত আৰু ভূৱনেশ্বৰত অৱস্থিত প্তটা গুৰুত্বপূৰ্ণ কাৰ্যালয়ত অবিৰতভাৱে সম্প্ৰচাৰিত কৰাৰ ব্যৱস্থা লোৱা হৈছিল।

'গ্ৰামচেট'ত ৬ৰ পৰা ৮ টা উচ্চ ক্ষমতাসম্পন্ন চি-বেণ্ড ট্ৰেন্সপোণ্ডাৰৰ লগতে ২ ৰ পৰা ৩ টা অতিউচ্চ ক্ষমতাৰ কুবেণ্ড ট্ৰেন্সপোণ্ডাৰ আছে। ইয়াৰ নেটৱ'ৰ্ক সেৱাত ডেটা সম্প্ৰচাৰ, কম্পিউটাৰ সংযোগ আৰু ৰাষ্ট্ৰীয় সমল তথ্য বৱস্থা (National Resource Information System/


NRIS)ৰ প্ৰয়োগৰ সৈতে টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ সুবিধাক অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ উপৰি 'গ্ৰামচেট'এ 'টেলি-মেডিচিন সোৱঁ', 'টেলি-কনফাৰেন্সিং সেৱা', দুৰ্যোগ ব্যৱস্থাপনা, দূৰ শিক্ষা, বৈদ্যুতিক প্ৰশাসন (ই-গভৰ্নেন্স), আৰু উন্নয়নমূলক তথ্যও আগবঢ়ায়। এই প্ৰকল্পৰ জৰিয়তে ওড়িশাৰ কালাহান্দি- বোলাংগিৰ- কোৰাপুট অঞ্চলৰ জ্জ্বল্জ্বল্ল খন গাওঁত টেলিভিছন সম্প্ৰচাৰৰ নেটৱৰ্ক উন্নীতকৰণৰ ব্যৱস্থা লোৱা হৈছিল। অন্ধ্ৰপ্ৰদেশত এই প্ৰকল্পটোৰ অধীনত মানা টিভি (MANA TV) নামৰ এটা সংহত চেটেলাইট ছেনেলৰ জৰিয়তে দূৰ শিক্ষাৰ অনুষ্ঠান, টেলি-মেডিচিন সেৱা, কৃষি সম্প্ৰসাৰণ, ই- গভৰ্নেন্স আৰু সামূহিক ইণ্টাৰনেট কেন্দ্ৰবোৰৰ সৈতে সংযোগ স্থাপনৰ সুবিধা কৰি দিয়া হৈছিল। কৰ্ণাটকত 'গ্ৰামচেট' প্ৰকল্পৰ জৰিয়তে পঞ্চায়তী ৰাজ ব্যৱস্থাৰ বিশেষজ্ঞসকলে চেটেলাইটৰ মাধ্যমেৰে গাওঁ পঞ্চায়তৰ সদস্যসকলক প্ৰশিক্ষণ দিছিল। অত্যাধুনিক পদ্ধতি তথা প্ৰযুক্তি ব্যৱহাৰেৰে স্থাপন কৰা সংযোগ প্ৰক্ৰিয়াই প্ৰশিক্ষণ প্ৰদান আৰু সক্ৰিয় অংশগ্ৰহণৰ দিশ দুটা ব্যাপক কৰি তুলিছে।



৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টিৰ কেইটামান গুৰুত্বপূৰ্ণ কথাৰ সাৰাংশ তলত উল্লেখ কৰা হ'ল-

- ১৯৭৫-৭৬ চনত আৰম্ভ হোৱা চেটেলাইট নিৰ্দেশনামূলক টেলিভিছন পৰীক্ষণ (SITE) এ ভাৰতৰ ২৪০০ খন দুৰ্গম অনুন্নত গাঁৱত টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ সেৱা আৰম্ভ কৰাৰ সুবিধা গঢ়ি দিছিল।
- ১৯৭৬ চনত ভাৰতীয় টেলিভিছন সেৱাক অনাতাঁৰ সেৱাৰ পৰা পৃথক কৰি নতুনকৈ 'দূৰদৰ্শন' নাম দিয়া হয়।
- ১৯৭৬ চনত খেড়া সংযোগ প্ৰকল্পৰ কাম আৰম্ভ হয়। এই প্ৰকল্পৰ অধীনত গুজৰাটৰ খেড়া জিলাৰ ৪০০খন গাঁৱক ৬৫০টা সামূহিক টেলিভিছন চেট যোগান ধৰা হৈছিল।
- খেড়া সংযোগ প্ৰকল্পৰ অধীনত সম্প্ৰচাৰিত কেইখনমান জনপ্ৰিয় শৈক্ষিক-মনোৰঞ্জনমূলক ধাৰাবাহিক হ'ল- ছাট্টেৰ মোটা (জ্ঞানী বয়োজ্যেষ্ঠ), নাৰী তু নাৰায়ণী কথা), হুন নি মাৰা এঁ (মই আৰু মোৰ পতি) আৰু জাগি নি জচ তো (মই যেতিয়া সাৰ পাই দেখিলোঁ)।
- ১৯৯০ ৰ দশকৰ মাজভাগত মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ উন্নয়ন তথা শৈক্ষিক সংযোগ গোটে মধ্যপ্ৰদেশৰ ঝাবুৱা জিলাৰ গ্ৰামাঞ্চলত ঝাবুৱা উন্নয়ন প্ৰকল্পৰ কাম আনুষ্ঠানিক ভাৱে আৰম্ভ কৰিছিল।
- ২০০০ চনৰ ২৪ মে' তাৰিখে তদানীন্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপায়ীয়ে ওড়িশাত 'গ্ৰামচেট' চেটেলাইট সেৱা আনুষ্ঠানিক ভাৱে আৰম্ভ কৰিছিল।



৫.৯ অধিক জানিবলৈ

- Aggarwal, VirBala (2002). Handbook of Journalism, New Delhi: Concept Publishing Company.
- Shitak, Rommani Sen (2011), Television and Development Communication India: A Critical Appraisal, Global Media Journal-Indian Edition.
- Usha Rani, N. (2006) Educational Television in India: challenges and issues. Discovery Publishing House, New Delhi.



৫.১০ অগ্রগতিৰ খতিয়ান

১। উন্নয়ন সংযোগত টেলিভিছনে পালন কৰা মূল ভূমিকাটো হ'ল সাধাৰণ নাগৰিকক পৰিয়াল পৰিকল্পনা, কৃষিকেন্দ্রিক অনুশীলন ৰু ৰাষ্ট্রীয় সংহতিৰ সৈতে জড়িত বিভিন্ন দিশৰ শিক্ষা দিয়া। ইয়াৰ উপৰি টেলিভিছনে সাধাৰণ বিদ্যালয় আৰু প্রাপ্ত বয়স্ক শিক্ষা ক্ষেত্রত দক্ষতা তথা জ্ঞান বিকাশ কৰাৰ লগতে শিক্ষকক প্রশিক্ষণ প্রদান, সাধাৰণ স্বাস্থ্য আৰু ব্যক্তিগত পৰিচ্ছন্নতা আদি উন্নতকৰণতো অৱদান আগবঢ়ায়।

২। SITE = Satellite Instructional Television Experiments,
SAC= Space Application Centre
ISRo= Indin Space Research Organization উন্নয়ন

৩। খেড়া সংযোগ প্রকল্পৰ অধীনত আহমেদাবাদৰ পৰা প্রায় ৫০ কিলোমিটাৰ দক্ষিণে অৱস্থিত পিছ গাঁৱত এটা নিম্ন ক্ষমতাসম্পন্ন ট্রেন্সমিটাৰ স্থাপন কৰা হৈছিল। এই ট্রেন্সমিটাৰটোৰ এটা স্থানীয় ষ্টুডিঅ ', দূৰদর্শন আৰু আহমেদাবাদত থকা স্থানীয় ভূষ্টেশ্যনৰ সৈতে সংযোগ স্থাপন কৰা হৈছিল. প্রকল্পটোৰ অধীনত প্রায় ৩৫ কিলোমিটাৰ পৰিধিৰ ভিতৰৰ গাওঁবোৰ সামৰি লোৱাৰ কথা কোৱা হৈছিল যদিও ই খেড়া জিলাৰ অধিকাংশ গাওঁকেই সামৰিবলৈ সক্ষম হৈছিল।

৪। ঝাবুৱা উন্নয়ন সংযোগ প্রকল্পৰ অধীনত প্রস্তুত কৰা অনুষ্ঠানবোৰৰ বিষয়বস্তু শৈক্ষিক আৰু মনোৰঞ্জনমূলক আছিল। ইয়াৰ অধীনত ৰাটাৰশ্বেড ব্যৱস্থাপনা, স্বাস্থ্য, শিক্ষা,

কৃষি, প্ৰাকৃতিক বনানীকৰণ আৰু প্ৰশাসনৰ দৰে বিষয়ক লৈ বিভিন্ন অনুষ্ঠান প্ৰস্তুত কৰা হৈছিল। প্ৰকল্পটোৰ জৰিয়তে আবেলি সম্প্ৰচাৰিত অনুষ্ঠানবোৰ প্ৰশিক্ষণমূলক আছিল। এনে অনুষ্ঠানবোৰত শিক্ষক, আংগনৱাড়ি কৰ্মী, হেণ্ড পাম্প মেকানিক আৰু স্থানীয় পঞ্চায়ত সদস্যসকলে ভাগ লৈছিল।



৫.১১ আৰ্হি প্ৰশ্ন ঃ

(ক) অতি চুটি প্ৰশ্ন -

১. উন্নয়ন সংযোগৰ সংজ্ঞা দিয়ক।

২. SITE ৰ তাৎপৰ্য চমুকৈ বৰ্ণনা কৰক।

৩. ঝাবুৱা উন্নয়ন সংযোগ প্ৰকল্পৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

(খ) চুটি প্ৰশ্ন (প্ৰায় ১৫০ টা শব্দত উত্তৰ দিয়ক)

১. SITE ৰ প্ৰধান উদ্দেশ্যবোৰ ব্যাখ্যা কৰক।

২. খেড়া উন্নয়ন প্ৰকল্পৰ অধীনত সম্প্ৰচাৰিত অনুষ্ঠানবোৰৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

৩. গ্ৰাম্য ভাৰতৰ পৰা নিৰক্ষৰতা আঁতৰোৱাত 'গ্ৰামচেট' কৃত্ৰিম উপগ্ৰহই কেনে ভূমিকা লৈছে ব্যাখ্যা কৰক।

(গ) ৰচনা ধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

১. শৈক্ষিক টেলিভিছনৰ তাৎপৰ্য আৰু অৱদান ব্যাখ্যা কৰক।

২. ভাৰতত টেলিভিছনৰ গুৰুত্ব আৰু ভূমিকা বৰ্ণনা কৰক।

****